# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-SEP-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
--------------------

১। বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ তিনিটা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত। মুখ্যমন্ত্ৰীৰ ওদালগুৰি আৰু তামুলপুৰত প্ৰচাৰ সভাত অংশগ্ৰহণ।

২। চুবুৰীয়া ৰাজ্য নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশত হোৱা ধাৰাষাৰ বৰষুণৰ ফলত গোলাঘাট আৰু বিশ্বনাথ জিলা ভদীয়া বানৰ কৱলত।

৩। ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্তশাসন প্ৰদান আৰু জনজাতিকৰণৰ দাবীত মৰাণ জাতীয় সংগঠনৰ প্ৰতিবাদ অব্যাহত।

৪। কাছাৰ জিলাত ১১ জন ৰোহিংগীয়া লোকক আটক।

*আৰু*

৫। সুব্ৰত কাপ ফুটবল প্ৰতিযোগিতাত আজি অসমৰ নুমলীগড় হাইস্কুলৰ আৰু আৰ্মী বয়জ স্কুলৰ খেল ২-২ গ'লত ড্ৰ'।

ooooo

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাথো তিনিটা দিন বাকী থকা অৱস্থাত প্ৰচাৰ অভিযান তুংগত উঠিছে। ওদালগুৰি জিলাত বিজেপি দলে ১০ টা সমষ্টিৰ ভিতৰত সাতটাত প্ৰতিদ্বন্দ্বিতা কৰিছে। জিলাখনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিজেপিৰ কেইবাগৰাকীও শীৰ্ষ নেতাই ব্যাপক প্ৰচাৰ চলাই আছে। ড০ হিমন্ত বিশ্ব শৰ্মাই আজি খালিংদুৱাৰ সমষ্টিত দলীয় প্ৰাৰ্থী অৰ্জুন দৈমাৰীৰ সমৰ্থনত পলাহগড়ত প্ৰচাৰ চলায়। তেওঁ আজি ৰাজগড়ত নোনাই চেৰফাং সমষ্টিৰ প্ৰাৰ্থী ৰণজিৎ তাঁতিৰ হৈ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সভাত ড০ শৰ্মাই কয়, যে বিটিচিলৈ অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে প্ৰতি বছৰে ১৫ শ কোটিকৈ টকা আগবঢ়ায় যদিও অঞ্চলটো তুলনামূলকভাৱে এতিয়াও পিছ পৰি আছে।

*(বাইট ঃ ড০ শৰ্মা)*

মুখ্যমন্ত্ৰীয়ে আজি তামুলপুৰ জিলাৰ শুকলাই চেৰফাং পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী লক্ষী দাসৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। এই উপলক্ষে আয়োজিত সভাত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা তথা দলৰ কেইবাগৰাকীও জ্যেষ্ঠ

নেতা উপস্থিত থাকে। সভাত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে অৰুণোদয়, মহিলা উদ্যমিতা আঁচনিকে ধৰি কেইবাটাও জনকল্যাণসমূলক আঁচনিৰ সুবিধা জনসাধাৰণক দিয়াৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ বুলি প্ৰকাশ কৰে।

মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি মঠনগুৰি পৰিষদীয় সমষ্টিত অনুষ্ঠিত এখন সভাত অংশ লৈ দলীয় প্ৰাৰ্থী গৌতম দাসৰ হৈ প্ৰচাৰ চলায়। বিৰোধী দল কংগ্ৰেছ, বি পি এফ আৰু ৰাইজৰ দলেও বিটিআৰৰ বিভিন্ন স্থানত নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অব্যাহত ৰাখিছে। দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈ আৰু সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে আজি ৩৫ নম্বৰ মুদৈবৰি পৰিষদীয়  সমষ্টিত প্ৰচাৰ চলায়। দলটোৱে আজি এই নিৰ্বাচনৰ বাবে ইস্তাহাৰো মুকলি কৰে। চিৰাং জিলাৰ ভূটীয়াপাৰাত আজি অনুষ্ঠিত ইউ পি পি এলৰ এখন নিৰ্বাচনী সভাত দলৰ প্ৰাৰ্থী ছাইখং বসুমতাৰীয়ে প্ৰচাৰ চলায়।

ইপিনে, এই নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে জিলা প্ৰশাসনসমূহে প্ৰস্তুতি অব্যাহত ৰাখিছে। তামুলপুৰ জিলাৰ বৰনগৰৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত আজি নিৰ্বাচনত নিয়োজিত পোলিং আৰু প্ৰিজাইডিং বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। তেওঁলোকক বেলট বক্সৰ ব্যৱহাৰকে ধৰি বিভিন্ন বিষয়সমূহ অৱগত কৰোৱা হয়। এই নিৰ্বাচনৰ বাবে তামুলপুৰ জিলাৰ দৰঙাজুলি, নাগ্ৰীজুলি আৰু শুক্লাই চেৰফাং সমষ্টিত নিৰ্বাচনী পৰ্যৱেক্ষক হিচাপে নিযুক্ত অতুল কুমাৰ শৰ্মাই আজি সমষ্টিকেইটাৰ অন্তৰ্গত ভোটগ্ৰহণ কেন্দ্ৰসমূহ পৰিদৰ্শন কৰে। তেওঁ এই কেন্দ্ৰকেইটাত থাকিবলগীয়া ব্যৱস্থাসমূহৰ বুজ লয়। উল্লেখযোগ্য যে ২২ ছেপ্তেম্বৰত জিলাখনৰ পাঁচটা পৰিষদীয়া সমষ্টিত ৩৯৫ টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

ooooo

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযান সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা শনিবাৰ ২০ ছেপ্তেম্বৰৰ নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আমাৰ কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাৰ সংবাদদাতা কেইগৰাকীৰ লগতে বি টি চিৰ ভোটগ্ৰহণ কেন্দ্ৰ থকা বিশ্বনাথ জিলাৰ সংবাদদাতাগৰাকীয়েও অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰিবলগীয়া এই আলোচনাত  সাংবাদিক অৰূপ শান্দিল্যও ষ্টুডিঅ'ৰ পৰা আমাৰ সংবাদদাতাসকলৰ সৈতে আলোচনাত ভাগ ল'ব।

ooooo

চুবুৰীয়া ৰাজ্য নাগালেণ্ডত হোৱা ধাৰাসাৰ বৰষুণ আৰু নীপকোৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াৰ ফলত গোলাঘাট জিলাৰ বিভিন্ন অঞ্চলত বানত বুৰ গৈছে। ধনশিৰি আৰু দৈয়াং নৈৰ লগতে উপনৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত জিলাখনৰ বিভিন্ন ঠাই বানৰ কবলত পৰিছে। জিলাখনৰ ৫৬ খন গাঁৱৰ ৪ হাজাৰ ৫০০ৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। জিলাখনৰ বান পৰিস্থিতিৰ বিতং তথ্যৰ সৈতে এয়া আমাৰ সংবাদদাতা হিৰণ্য গগৈ—

## ভইচ (হিৰণ্য গগৈ)

বান পীড়িত সকলৰ বাবে জিলা প্ৰশাসনে ১৫টা আশ্ৰয় শিবিৰ মুকলি কৰিছে। আজি জিলা আয়ুক্ত পুলক মহন্তই সীমান্ত দণ্ডাধীশৰ সৈতে গোলাঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত ইটানগৰটোপ অঞ্চলত বান পৰিস্থিতিৰ বুজ লয়। বান পীড়িত ৰাইজৰ অৱস্থাৰ বুজ লৈ আয়ুক্তগৰাকীয়ে এন ডি আৰ এফ আৰু  এছ ডি আৰ এফৰ উদ্ধাৰ

অভিযান পৰিদৰ্শন কৰে। জিলাখনত আটাইকেইটা ৰাজহ চক্ৰতে চক্ৰ বিষয়াসকলেও আশ্ৰয় শিবিৰসমূহত উপস্থিত হৈ বান ক্ষতিগ্ৰস্ত ৰাইজৰ অভাৱ অভিযোগৰ বুজ লয়। খুমটাই অঞ্চলৰ বিধায়ক মৃণাল শইকীয়াইও সমষ্টিৰ বান পীড়িত সকলৰ উদ্ধাৰ অভিযানত অংশগ্ৰহণ কৰে। শ্ৰীশইকীয়াই বানত ক্ষতিগ্ৰস্ত সকলক সকলো প্ৰকাৰৰ সহায়-সহযোগ কৰাৰ আশ্বাস দিয়ে। জিলা প্ৰশাসনে এই তাৎক্ষণিক বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণক সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনাই বাঢ়নি পানীত অপ্ৰয়োজনীয়ভাৱে নাও আদিৰে যাতায়াত নকৰিবলৈ পৰামৰ্শ দিছে। তদুপৰি এনে পৰিস্থিতিত কোনো বৈদ্যুতিক সামগ্ৰী স্পৰ্শ বা মেৰামতি নকৰিবলৈ আহ্বান জনোৱা হৈছে। খোৱাপানীৰ ক্ষেত্ৰতো পৰিষ্কাৰ-পৰিচ্ছন্নতা অৱলম্বন কৰিবলৈ স্বাস্থ্য বিভাগে আহ্বান জনাইছে। যিকোনো জৰুৰীকালীন পৰিস্থিতিত জনসাধাৰণে ০৩৭৭৪-২৮০২২২ আৰু ০৩৬৭৪-২৮১৫২৮ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি জিলা প্ৰশাসনে জানিবলৈ দিছে।

ইফালে ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰতো চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ বমদিলা আৰু টাৱাং জিলাত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত পাহাৰীয়া নৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ভৈয়াম অঞ্চলত বানৰ সৃষ্টি হৈছে। বিশ্বনাথৰ অসম-অৰুণাচল সীমান্তৱৰ্তী কেইবাখনো গাঁও বাঢ়নি পানীয়ে বুৰাই পেলাইছে। জিলাখনৰ চেলাইখাটি, মহজুলি বস্তি, নাহৰণি, মিছামাৰী, বৰপথাৰকে ধৰি কেইবাখনো গাঁও বানৰ কৱলত পৰিছে। একেদৰে গহপুৰ সমজিলাৰ মাজেৰে বৈ যোৱা ব্ৰহ্মাজান আৰু ছত্ৰং নৈৰ বাঢ়নি পানীয়ে কালি বিস্তীৰ্ণ অঞ্চল বুৰাই পেলায়। শোণিতপুৰ জিলাৰ নদুৱাৰ বিধানসভা সমষ্টিৰ চাৰিদুৱাৰৰ অন্তৰ্গত বাকোলা, বাকোলাপথাৰ, আমলগা, ভালুকমাৰী, বুঢ়াগাঁও, দলংবস্তিকে ধৰি কেইবাটাও অঞ্চল বানৰ কবলত পৰিছে। প্ৰথমবাৰৰ বাবে গামানি ছপানলা গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰিছে। আজি বিধায়ক পদ্ম হাজৰিকাই বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। বান পীড়িত সকলক আশ্ৰয় শিবিৰলৈ স্থানান্তৰ কৰাৰ লগতে বিধায়কগৰাকীয়ে খোৱাপানী, আহাৰ আৰু চিকিৎসাৰ ব্যৱস্থা সুনিশ্চিত কৰে।

০০০০০

ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্তশাসন প্ৰদান আৰু জনজাতিকৰণৰ দাবীত মৰাণ জাতীয় সংগঠনৰ উদ্যোগত ধাৰাবাহিক প্ৰতিবাদ আজিও অব্যাহত আছে। মৰাণ জনসাধাৰণে তিনিচুকীয়াত কালিৰে পৰা অনিৰ্দিষ্টকালীন অৰ্থনৈতিক অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰিছে। এই কাৰ্যসূচীত ছটা মৰাণ জাতীয় সংগঠনে অংশগ্ৰহণ কৰিছে। জিলাখনৰ পৰা তেল, কয়লা, গেছ, কাঠ আদি বনজ আৰু খনিজ সম্পদৰ বৰ্হি নিৰ্গমনৰ ক্ষেত্ৰত জনগোষ্ঠীটোৱে বাধা প্ৰদান কৰিছে। মাকুম, ডিগবৈ, কাকপথাৰ আদি ঠাইত অৱৰোধ কৰাত এনে সামগ্ৰী কঢ়িয়াই নিয়া শ-শ বাহন আৱদ্ধ হৈ পৰিছে। অৱৰোধ কাৰ্যসূচীৰ সমান্তৰালভাৱে মৰাণ ৰাইজে জোঁৰ সমদলেৰেও প্ৰতিবাদ সাব্যস্ত কৰিছে। এই সন্দৰ্ভত বিতং তথ্যৰ সৈতে তিনিচুকীয়া জিলাৰ সংবাদদাতা মনোৰঞ্জন মৰাণ—-

**ভইচ**

০০০০০

অসমৰ পৰা অনুপ্ৰৱেশকাৰী আৰু মৌলবাদীক শীঘ্ৰেই উৎখাত কৰাকে ধৰি কেইবাটাও দাবীত আজি সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যৰ বিভিন্ন স্থানত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। নগাঁও জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ

সমীপত সংগঠনটোৰ সদস্য আৰু সমৰ্থকসকলে এই কাৰ্যসূচী ৰূপায়ণ কৰে। তেওঁলোকে নাগৰিকত্ব সংশোধনী আইনৰ আওতাৰ পৰা অসমৰ বাহিৰত ৰখা, অসম চুক্তিৰ প্ৰতিটো দফা নিৰ্দিষ্ট সময়ত ৰূপায়ণ কৰাকে ধৰি কেইবাটাও দাবীৰ সমৰ্থনত প্ৰতিবাদ সাব্যস্ত কৰে। মৰিগাঁও জিলা ছাত্ৰ সন্থায়ো আজি মৰিগাঁও চহৰত অনুৰূপ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰী সদস্যসকলে অসম চুক্তি ৰূপায়ণৰ জৰিয়তে বিদেশী নাগৰিকৰ বহিস্কৰণৰ ব্যৱস্থা, ভাৰত-বাংলাদেশ সীমান্ত ছীল কৰাকে ধৰি কেইবাটাও দাবী তোলে।

00000

কাছাৰ জিলাত আজি পুনৰ ১১ জন ৰোহিংগীয়া লোকক আটক কৰা হৈছে। কাছাৰ আৰক্ষীয়ে শিলচৰৰ তাৰাপুৰ কালিবাৰী ৰোড এলেকাৰ পৰা মহিলা আৰু শিশুসহ ৰোহিংগীয়া লোককেইজনক আটক কৰে। আৰক্ষীৰ সূত্ৰৰ পৰা জানিব পৰা মতে হায়দৰাবাদৰ পৰা বিতাড়িত ৰোহিংগীয়াৰ দলটোৱে শিলচৰত ভাৰাঘৰৰ সন্ধান কৰিছিল। দলটোৰ সন্দেহজনক আচৰণৰ পৰিপ্ৰেক্ষিতত স্থানীয় ৰাইজে দিয়া খবৰৰ ভিত্তিত আৰক্ষীয়ে লোককেইজনক আটক কৰিবলৈ সমৰ্থ হয়। আদালতৰ নিৰ্দেশত আজি আটক কৰা লোককেইজনক আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হয়।

00000

কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্ব খনিকৰ শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজা কাইলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত পালন কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি এই পূজাৰ বাবে ব্যাপক আয়োজন চলিছে। মৃৎ শিল্পীসকলে বিশ্বকৰ্মাৰ মৃণ্ময় মূৰ্তিত অন্তিম পৰশ দিছে। কাইলৈ পুৱাতে ৰাজ্যৰ বিভিন্ন অঞ্চলত বিশ্বখনিকৰক আৰাধনা কৰা হ'ব। এই পূজাৰ লগে লগে ৰাজ্যখনত শাৰদীয় পূজাৰ পৰিৱেশৰো সূচনা হ'ব। ৰাজ্যৰ বিভিন্ন কল-কাৰখানা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, কাৰিকৰী প্ৰতিষ্ঠান, ছপাশাল আদিত সমূহীয়াভাৱে পূজাৰ আয়োজন কৰাৰ লগতে ব্যক্তিগত ভাবেও বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত নাম প্ৰসংগ, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত হ'ব।

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে হোজাই জিলাত বিশ্বকৰ্মা পূজাৰ প্ৰস্তুতি চলিছে। জিলাখনৰ বজাৰসমূহ আজি পূজাৰ বাবে প্ৰয়োজনীয় সা-সামগ্ৰীৰে ভৰি পৰিছে। গুৱাহাটী মহানগৰীতো আজি প্ৰতিকূল বতৰক নেওচি পূজাৰ উপকৰণ ক্ৰয়ৰ বাবে জনসাধাৰণে বজাৰসমূহত ভিৰ কৰা দেখা গৈছে। আকাশবাণী গুৱাহাটীৰ চৌহদতো কাইলৈ পৰম্পৰাগত ৰীতি-নীতিৰে বিশ্বকৰ্মা পূজা পালন কৰা হ'ব।

00000

লোকসেৱা আৰু সুশাসনৰ দ্বাৰা পৰিচালিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে পৰিৱৰ্তন আৰু প্ৰগতি অনাৰ বাবে নিৰন্তৰ কাম কৰি আহিছে। আমাৰ সেৱা পৰ্বৰ বিশেষ প্ৰতিবেদনলানিত আজি আগবঢ়াইছো পৰিৱেশ সংস্কৰণৰ ক্ষেত্ৰত ভাৰতৰ বিশ্বৰ নেতৃত্বলৈ লৈ যোৱাত মোদী চৰকাৰৰ প্ৰয়াসৰ বিষয়ে।

**(ভইচ অ'ভাৰ)**

ক্ৰমবৰ্ধমান শক্তিৰ চাহিদাৰ এখন উন্নয়নশীল দেশৰ পৰা ভাৰত যোৱা ১১ টা বছৰত জলবায়ু সংৰক্ষণৰ ক্ষেত্ৰত বিশ্বৰ এখন অগ্ৰণী দেশত পৰিগণিত হৈছে। বনভূমিৰ সংৰক্ষণৰ পৰা পৰিৱেশ সুৰক্ষাক ন্যায়িক মৰ্যাদা

প্ৰদান, সৌৰশক্তি ব্যৱহাৰৰ পৰা সেউজ শক্তিৰ বিবিধ ব্যৱহাৰলৈ গতি কৰি ভাৰতে বহনক্ষম বিকাশ আৰু পৰিৱেশ সংৰক্ষণ যে একেলগে আগবাঢ়িব পাৰে, তাক প্ৰমাণ কৰিছে।

পেৰিছত অনুষ্ঠিত পৰিৱেশ সংৰক্ষণ বিষয়ক ৰাষ্ট্ৰসংঘৰ একবিংশ সন্মিলনত ভাৰতে ২০৩০ চনৰ ভিতৰত দেশখনত ৪০ শতাংশ নিকা শক্তিৰ ব্যৱহাৰ কৰাৰ অংগীকাৰ কৰিছিল। কিন্তু নিৰ্ধাৰিত সময়সীমাৰ ৯ বছৰ পূৰ্বেই অৰ্থাৎ ২০২১ চনতে ভাৰত এই লক্ষ্যত উপনীত হ'ল। যোৱা বছৰৰ ছেপ্তেম্বৰ মাহত আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৰুত্ব সহকাৰে উল্লেখ কৰিছিল যে বিশ্বৰ ১৭ শতাংশ জনসংখ্যা থকা ভাৰতবৰ্ষই বিশ্বৰ দেশসমূহৰ ভিতৰত ৪ শতাংশতকৈ কম কাৰ্বন নিগমন কৰে।

আমাৰ দেশে বিশ্বজনীন ৰূপত পৰিৱেশৰ বাবে জীৱন যাত্ৰা অৰ্থাৎ দৈনন্দিন জীৱনযাত্ৰাত সাধাৰণ আৰু বহনক্ষম পদ্ধতি অৱলম্বনৰ কথা বিশ্ব সমুদায়ৰ ওচৰত দাঙি ধৰে। আজাৰবাইজানৰ ৰাজধানী বাকুত অনুষ্ঠিত পৰিৱেশ সংৰক্ষণ বিষয়ক ৰাষ্ট্ৰসংঘৰ ঊনত্ৰিংশ সন্মিলনত ভাৰতে সেউজ হাইড্ৰ'জেনৰ ব্যৱহাৰৰ ক্ষেত্ৰত লাভ কৰা সফলতা, ঔদ্যোগিক ব্যৱহাৰত কাৰ্বনৰ মাত্ৰা হ্ৰাস কৰা আৰু জলবায়ু সংৰক্ষণৰ প্ৰয়াসত মহিলাৰ নেতৃত্বৰ বিষয়ে আলোকপাত কৰিছিল। অষ্ট্ৰেলিয়াৰ সমাজসেৱক ড° এনড্ৰিউ ফৰেষ্টে পৰিৱেশ বিনষ্টকৰণৰ বিৰুদ্ধে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বক ভূয়সী প্ৰশংসা কৰে।

সাহসিকতাপূৰ্ণ প্ৰতিশ্ৰুতি আৰু প্ৰকৃত কাম-কাজেৰে ভাৰতবৰ্ষই পৰিৱেশ ৰক্ষাৰ বিশ্ব পৰ্যায়ৰ আলোচনাত অংশগ্ৰহণ কৰাই নহয়, এই সমগ্ৰ প্ৰক্ৰিয়াটোক নতুন গতি প্ৰদান কৰিছে।

ooooo

বায়ুসেনাই আয়োজন কৰা ৬৪ সংখ্যক আন্তৰ্জাতিক স্কুল ফুটবল প্ৰতিযোগিতা শৃংখলা সুব্ৰত কাপৰ অন্তিমখন প্ৰতিযোগিতা আজিৰে পৰা নতুন দিল্লীত আৰম্ভ হৈছে। ১৭ বছৰ অনূৰ্ধৰ ল'ৰাৰ এই অন্তিমলানি প্ৰতিযোগিতাত আজি অসমৰ গোলাঘাটৰ নুমলীগড় হাইস্কুলে গ্ৰুপৰ প্ৰথমখন খেলত আৰ্মী বয়জ স্কুলৰ সৈতে ২-২ গ'লত ড্ৰ' খেলি পইণ্ট ভগাই লয়। পিণ্টু পাৰ্ক ফুটবল ময়দানত অনুষ্ঠিত খেলখনত অসমৰ হৈ ২৭ মিনিটত পাৰ্থ ডেকা বৰুৱাই প্ৰথমটো গ'ল কৰাৰ বিপৰীতে ৬৬ মিনিটত আকাশ লোহাৰে দ্বিতীয়টো গ'ল কৰি অসমক এক পইণ্ট দিয়াত সহায় কৰে। প্ৰতিযোগিতাৰ পৰৱৰ্তী খেলত অসমে কাইলৈ আন্দামান নিকোবৰৰ মুখামুখি হ'ব। গ্ৰুপৰ আন দুখন খেলত ৰাজ্যক প্ৰতিনিধিত্ব কৰা নুমলীগড় হাইস্কুলৰ খেলুৱৈসকলে নৱোদয় বিদ্যালয়ৰ বিৰুদ্ধে ১৮ ছেপ্তেম্বৰত আৰু তেলেংগানাৰ বিৰুদ্ধে ১৯ ছেপ্তেম্বৰত খেলিব। ইতিমধ্যে ১৭ বছৰ অনূৰ্ধৰ ছোৱালী আৰু ১৫ বছৰ অনূৰ্ধৰ ল'ৰাৰ প্ৰতিযোগিতাসমূহ সমাপ্ত হৈছে। এইবাৰৰ প্ৰতিযোগিতাত গুৱাহাটীৰ বেটকুছি হাইস্কুলত ছোৱালীৰ দলটোৱে ৰাজ্যৰ প্ৰথমটো দল হিচাপে ১৭ বছৰ অনূৰ্ধৰ খিতাপ জয় কৰিছে।

ooooo

সমাপ্ত